**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ooooooooo

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত আজি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰ লগতে এশগৰাকী নামতী দলে নাম-প্ৰসংগ আৰু এশগৰাকী বাঁহীবাদকে শ্ৰদ্ধাঞ্জলি জনায়। নিশালৈ ভাওনা পৰিবেশনৰ ব্যৱস্থা কৰা হৈছে। বৃহত্তৰ বৰপেটা সমাজ, গুৱাহাটীৰ উদ্যোগত লতাশিল খেলপথাৰত জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ উপলক্ষে ১২ ঘণ্টীয়া অখণ্ড থিয় নাম পৰিবেশন কৰা হয়। গুৱাহাটী মহানগৰীৰ কাহিলীপাৰাৰ ফৰেনচিক বিজ্ঞানাগাৰৰ খেলপথাৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীতে ভাস্কৰ্য শিল্পী নুৰুদ্দিন আহমেদে নিৰ্মাণ কৰা শিল্পীগৰাকীৰ ১০ ফুট উচ্চতাৰ এটা প্ৰতিমুৰ্তি উন্মোচন কৰা হয়।

বাইট ঃ নুৰুদ্দিন আহমেদ

জুবিন গাৰ্গৰ বিয়োগৰ এমাহ উপলক্ষে আজি ওদালগুৰি জিলাত দাপোন দা মিৰৰ, টংলা আৰু টংলা জুবিন গাৰ্গ ফেন ক্লাবৰ সহযোগত শ্ৰদ্ধাঞ্জলি তথা স্মৃতিসৌধ উন্মোচন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা শিল্পীগৰাকীৰ চিতাভস্ম কুলশী নৈত বৈদিক নীতি-নিয়মেৰে বিসৰ্জন দিয়া হয়।

গোৱালপাৰা জিলাত বিজেপিৰ জিলা কাৰ্যালয়ত শিল্পীগৰাকীক লৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মৰিগাওঁ জিলাৰ বঙালধৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত বঙালধৰা তিনিআলিতো আজি **জুবিন চ'ক** নামেৰে নামকৰণ কৰা হয়। ধৰমতুল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া যুগান্ত মেধীয়ে **জুবিন চ'ক**ৰ নাম ফলকখন ফিটা কাটি উদ্বোধন কৰে। কাচাৰ জিলাৰ বিভিন্ন স্থানতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। নিষ্ঠা সংগীত প্ৰতিষ্ঠানৰ উদ্যোগত বদৰপুৰ ঘাটত **মৰমৰ জুবিন দা** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooooooo

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী পালনৰ বাবে সাজু হৈছে। অৱশ্যে এইবাৰ ৰাইজৰ মাজত উৎসৱৰ পূৰ্বৰ আনন্দমুখৰ পৰিবেশে বিৰাজ কৰা নাই। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ বাবে সাজু হৈছে। অৱশ্যে মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু অন্যান্য পোহৰৰ সামগ্ৰী বজাৰসমূহত উপলব্ধ হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাসগৃহসমূহ আলোকমালাৰে সজাই তোলা হৈছে। বিভিন্ন

স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী পালন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে। ৰাজ্যৰ প্ৰতিখন জিলাতে দীপাৱলী পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বৰপেটাত থলুৱা আতচবাজী বিক্ৰেতাসকলে প্ৰস্তুত কৰা আতচবাজী বজাৰত উপলব্ধ হৈছে। একেদৰে বিভিন্ন প্ৰান্তৰ কালী মন্দিৰসমূহত ধৰ্মীয় পৰম্পৰাৰে শ্ৰীশ্ৰী কালী পূজা সম্পন্ন কৰাৰ বাবে প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈছে।

ooooooooo

অসমে বাল্য বিবাহ হ্ৰাস কৰাত দেশৰ ভিতৰতে শীৰ্ষস্থান লাভ কৰিছে। ৰাজ্যৰ কন্যা শিশুসকলৰ মাজত ৮৪ শতাংশ আৰু ল'ৰা শিশুসকলৰ মাজত ৯১ শতাংশ বাল্যবিবাহ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে মহাৰাষ্ট্ৰ আৰু বিহাৰত ৭০ শতাংশকৈ, ৰাজস্থানত ৬৬ শতাংশ আৰু কৰ্ণাটকত ৫৫ শতাংশ বাল্যবিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে।

ooooooooo

ভাৰতৰ তন্‌ভি শৰ্মা আজি গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত থাইলেণ্ডৰ অন্যাপট ফিছিতফোনৰ বিৰুদ্ধে পৰাজয় বৰণ কৰি ৰূপৰ পদক লাভ কৰিছে। তন্‌ভিয়ে ফাইনেলত ৭-১৫, ১২-১৫ গেমত পৰাজিত হয়। ১৬ বছৰীয়া তনভি বিশ্বৰ জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা দেশৰ পঞ্চমগৰাকী খেলুৱৈ। ইয়াৰ পূৰ্বে অপৰ্ণা পোপটে ১৯৯৬, চাইনা নেহৱালে ২০০৬ আৰু ২০০৮, চিৰিল বাৰ্মাই ২০১৫ আৰু শংকৰ মুথুস্বামীয়ে ২০২২ চনত এই প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে এই প্ৰতিযোগিতাৰ দলীয় শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooooooo

**সমাপ্ত**